অসম বিধান সভা

তৰাচিহ্নিত প্ৰশ্ন নং ২২৮

উত্তৰ দিয়াৰ তাৰিখ – ২৭/০৭/২০২৬

বিষয়ঃ হত্যাকাণ্ডৰ ন্যায়ৰ সম্পৰ্কে।

শ্ৰী আশ্ৰাফুল ইছলাম শ্বেখ, বিধায়কঃ

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

এবি এমছুৰ প্ৰয়াত সভাপতি বীৰ শ্বহীদ লাফিকুল ইছলাম আহমেদৰ হত্যাকাণ্ডৰ লগত জড়িত হত্যাকাৰীক চিনাক্ত কৰিলে যদিও আজিলৈকে এজনো হত্যাকাৰী গ্ৰেপ্তাৰ নহ'ল। ভুক্তভোগী পৰিয়ালে এই হত্যাকাণ্ডৰ ন্যায় কেতিয়া পাব ? জনাব।

উত্তৰ

মাননীয় গৃহ ও ৰাজনৈতিক বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ

০১/০৮/২০১৭ তাৰিখে কোকৰাঝাৰ থানাৰ অন্তৰ্গত তিতাগুৰি বজাৰত এক গুলীচালনাৰ ঘটনা সংঘটিত হৈছিল। তাত 'All Bodoland Minority Students Union' (ABMSU)-ৰ তদানীন্তন সভাপতি লফিকুল ইছলাম আহমেদ গুলীবিদ্ধ হয়। তাৰ পিছত তেওঁক ততাতৈয়াকৈ হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত বুলি ঘোষণা কৰে। উক্ত ঘটনা সন্দৰ্ভত কোকৰাঝাৰ থানাত এটা গোচৰ (Kokrajhar PS Case No. 492/2017 U/S-120(B)/302/326/34 IPC, R/W Sec. 25(1-A)/27(3) Arms Act) ৰুজু কৰা হয় আৰু তদানীন্তন উপ-আৰক্ষী অধীক্ষক (HQ) শ্ৰী প্ৰকাশ মেধি, APS-ক তদন্তকাৰী বিষয়া (IO) হিচাপে দায়িত্ব দিয়া হয়।

ইয়াৰ উপৰিও, অসম আৰক্ষীৰ সঞ্চালক প্ৰধান (DGP)-ৰ নিৰ্দেশমৰ্মে (Memo No. G/VI/KJR/44/2017/5 dated 05/08/2017) অসম আৰক্ষীৰ বিশেষ শাখাৰ (SB) তদানীন্তন মহাপৰিদৰ্শক (IGP) শ্ৰী অনুৰাগ তাংখা, IPS-ৰ নেতৃত্বত এখন বিশেষ তদন্তকাৰী দল (SIT) গঠন কৰা হয়। ঘটনাৰ সন্দৰ্ভত ৬ (ছয়) জন ব্যক্তিক গ্ৰেপ্তাৰ কৰা হৈছিল।

পৰবৰ্তী পৰ্য্যায়ত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ পত্ৰ No. HMA. 19021/19/2017-Political (A)-H&P (eCF::27889)/10, dated 04/08/2017 আৰু অধিসূচনা No. **HMA.** 19021/19/2017-Political (A)-H&P(eCF: 27889)/9 dated 04/08/2017 ৰ নিৰ্দেশ মৰ্মে উক্ত গোচৰটোৰ তদন্তৰ ভাৰ কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (CBI)-লৈ হস্তান্তৰ কৰা হয়। সেই অনুসৰি, ১৩/১১/২০১৭ তাৰিখে চি. আই. ডি অসমৰ তেতিয়াৰ উপ-আৰক্ষী অধীক্ষক (SIT-ৰ সদস্য তথা কোকৰাঝাৰ থানাৰ গোচৰ নং ৪৯২/২০১৭ ৰ তদন্তকাৰী বিষয়া) ASM Taher, APS-এ Case Diary আৰু সকলো নথিপত্ৰ CBI-ক গতাই দিয়ে।

উল্লেখযোগ্য যে, কেন্দ্ৰীয় তদন্তকাৰী সংস্থা (CBI)-ক গোচৰ সম্পৰ্কীয় সকলো তথ্য হস্তান্তৰ কৰাৰ পিছত কামৰূপ (গুৱাহাটী) ৰ বিশেষ ন্যায়িক দণ্ডাধীশৰ আদালতত ৪ (চাৰি) জন ব্যক্তিৰ বিৰুদ্ধে IPC 120-B, 302, 306 আৰু Arms Act ৰ ধাৰা 25, 27 ৰ অধীনত ২১/১২/২০২১ তাৰিখে চাৰ্জশ্বীট দাখিল কৰে। এজন অভিযুক্তৰ বাহিৰে আন ৩ (তিনি) জন অভিযুক্তক ১০/০২/২০২৩ তাৰিখে আদালতে পলাতক ঘোষণা কৰি স্থায়ী ৱাৰেণ্ট (Standing Warrant) জাৰি কৰে। গোচৰটো বৰ্তমান চিবিআই (CBI)-ৰ মহামান্য বিশেষ ন্যায়ধীশৰ আদালতত বিচাৰাধীন হৈ আছে।

বি.দ্ৰঃ উত্তৰৰ প্ৰতিলিপি **NeVA Portal** ত **upload** কৰা হৈছে।

ঃঃঃঃঃঃঃঃঃঃঃ